প্ৰেছ বিজ্ঞপ্তি

১৬ ডিচেম্বৰ,২০১৬

**প্ৰধানমন্ত্ৰী গৰীৱ কল্যাণ জমা আঁচনি (পি এম জি কে ডি এছ), ২০১৬**

ভাৰত চৰকাৰে, ভাৰতীয় ৰিজাৰ্ভ বেংকৰ সৈতে আলোচনা মৰ্মে Pradhan Mantri Garib Kalyan Deposit Scheme, 2016 অধিসূচিত কৰিছে। Pradhan Mantri Garib Kalyan Deposit Scheme, 2016 ৰ অধীনত অঘোষিত আয় ঘোষণা কৰা যিকোনো ব্যক্তিয়ে আঁচনিখনৰ অধীনত জমা ৰাখিব পাৰিব। জমা ৰখা ৰাশি, যিথিনি ঘোষণা কৰা অঘোষিত ৰাশিৰ ২৫ শতাংশৰ কম হব নোৱাৰিব, যিকোনো কৰ্তৃত্বপ্ৰাপ্ত বেংকত (ভাৰত চৰকাৰে অধিসূচিত কৰা মতে) ১৭ ডিচেম্বৰ,২০১৬ (শনিবাৰ)ৰ পৰা ৩১ মাৰ্চ, ২০১৬ (শুকুৰবাৰ) পৰ্যন্ত জমা কৰিব পৰা যাব। জমাকৃত ৰাশি ভাৰতীয় ৰিজাৰ্ভ বেংকে পৰিচালনা কৰা বণ্ডছ লেজাৰ একাউন্টত (বি এল এ) জমাকাৰীৰ নামত ৰখা হব আৰু চাৰি বছৰ উকলি যোৱাত পৰিশোধ কৰা হব। আঁচনিখনৰ সবিশেষ https://rbi.org.in ত একছেছ কৰিব পৰা যাব।

**(অজিত প্ৰসাদ)**

সহকাৰী উপদেষ্টা

**প্ৰেছ বিজ্ঞপ্তি – ২০১৬-১৭/১৫৫৫**